জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৭৭/২০২২**

# উপায়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেন্স

## উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰি তুলিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## বানপানীৰ পৰৱৰ্তী পৰ্যায়ত হ'ব পৰা ৰোগৰ প্ৰতিৰোধৰ বাবে প্ৰতিটো ৰাজহ চক্ৰতে চিকিৎসা শিৱিৰ স্থাপন কৰাৰ বাবে নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২০ জুন ঃ** ৰাজ্যখনৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত তেওঁৰ সভাকক্ষৰ পৰা উপায়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্স যোগে এক বৈঠকত মিলিত হয়। ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত উপায়ুক্তসকলে জিলাসমূহত হোৱা বানপানীৰ ক্ষয়-ক্ষতি, উদ্ধাৰ-সাহায্য অভিযান ইত্যাদি বিষয়সমূহৰ ক্ষেত্ৰত প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱাজিৰ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ উপায়ুক্তসকলক উদ্ধাৰ অভিযান ক্ষিপ্ৰতৰ কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। এনডিআৰএফ, এছডিআৰএফৰ উপৰি প্ৰয়োজন সাপেক্ষে সেনা বাহিনীৰ সহায় লোৱাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য শিৱিৰত পৰ্যাপ্ত পৰিমাণে খাদ্য সামগ্ৰী যোগান ধৰাৰ লগতে বানপ্লাৱিত এলেকাৰ লোকসকলক বিতৰণ কেন্দ্ৰ স্থাপনৰ জৰিয়তে পৰ্যাপ্ত পৰিমাণত সাহায্য প্ৰদান কৰিবলৈ কয়। শিৱিৰসমূহত যাতে শিশু খাদ্যৰ যাতে পৰ্যাপ্ত পৰিমাণে উপলব্ধ হয় সেই দিশতো যথোচিত ব্যৱস্থা লোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। সাহায্য শিৱিৰসমূহত চিকিৎসাসেৱাৰ যাতে কোনো ধৰণৰ অভাৱ নহয় তাৰে বাবে এএনএম, জিএনএম আদিকে অন্তৰ্ভুক্ত কৰি এটা চিকিৎসা গোট গঠন কৰি প্ৰয়োজনীয় চিকিৎসা ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। প্ৰতিদিনে চিকিৎসকে যাতে সাহায্য শিৱিৰত থকা আৱাসীসকলৰ প্ৰয়োজন অনুসৰি চিকিৎসা প্ৰদান কৰিব পাৰে তাৰ বাবে চিকিৎসকৰ উপস্থিতিও বাধ্যতামূলক কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে বানপানীৰ পৰৱৰ্তী পৰ্যায়ত যাতে কোনো ধৰণৰ ৰোগৰ দ্বাৰা জনসাধাৰণ আক্ৰান্ত নহয়, তাৰ বাবে প্ৰতিটো ৰাজহ চক্ৰৰ অধীনত চিকিৎসা শিৱিৰ অনুষ্ঠিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

বানপানীৰ ফলত গৃহ ক্ষতিগ্ৰস্ত হোৱা লোকসকলে যাতে শীঘ্ৰে গৃহ নিৰ্মাণ কৰিব পাৰে তাৰ বাবে তেনে লোকসকলৰ জৰীপ কৰি এখন তালিকা প্ৰস্তুত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে এই লোকসকলৰ ক্ষতিগ্ৰস্ত গৃহ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পুঁজিও অতিশীঘ্ৰে মুকলি কৰি দিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে মুখ্যমন্ত্ৰীয়ে পশু খাদ্য লাভ কৰাতো সুনিশ্চিত কৰাৰ দিশত যথোচিত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ’ কনফাৰেন্সিঙৰ সময়ত বিভিন্ন জিলাৰ উপায়ুক্তসকলৰ সৈতে থকা অভিভাৱক মন্ত্ৰীসকলক তেওঁলোকৰ দায়িত্বত থকা জিলাসমূহত উদ্ধাৰ-সাহায্য অভিযান যাতে নিয়াৰীকৈ পৰিচালিত কৰিব পাৰে তাৰ বাবে জিলা প্ৰশাসনক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে কয়। বানপানীৰ পৰিস্থিতি উন্নত নোহোৱালৈকে অভিভাৱক মন্ত্ৰী আৰু সচিবসকলক সেই জিলাসমূহতে থাকিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আনহাতে বানপানীৰ প্ৰাবল্য হ্ৰাস পোৱাৰ পিছত ভঙা মথাউৰিসমূহ মেৰামতি কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

ভিডিঅ’ কনফাৰেন্সিঙৰ সময়ত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকা, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্য সচিব জিষ্ণু বৰুৱা, বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া, সামৰিক বাহিনী, এনডিআৰএফ, এছডিআৰএফৰ বিষয়াসকল উপস্থিত থাকে। আনহাতে ভাৰ্চুৱেল মাধ্যমৰ যোগেদি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰী, বায়ু সেনা, ৰে’লৱে বিভাগৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰে।

**পুঃডেঃ**
**২০/০৬/২০২২**